**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-05-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় পৌৰ নিগম পৰিষদৰ বৈঠকত অংশগ্ৰহণ কৰি চহৰখনৰ উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। তেওঁ চহৰখনৰ কৃত্ৰিম বান সমস্যাৰ সমাধান, নলা-নৰ্দমাৰ সু-ব্যৱস্থাপনা, বাট পথৰ উন্নীতকৰণ, চহৰৰ সৌন্দৰ্য বৰ্ধনকে ধৰি বিভিন্ন বিষয় লৈ আলোচনা কৰে। শ্ৰীসোণোৱালে লগতে সমস্যাসমূহৰ সমাধানৰ বাবে যাৱতীয় কাম ক্ষিপ্ৰতাৰে সম্পন্ন কৰিবলৈ বিষয়ববীয়াসকলক আহ্বান জনায়। বৈঠকত মন্ত্ৰী প্ৰশান্ত ফুকন, মেয়ৰ ডাঃ ছৈকত পাত্ৰ, উপ-পৌৰপতি উজ্বল কুমাৰ ফুকনৰ উপৰি পৌৰ নিগমৰ ভালেসংখ্যক জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

০০০০০০

যোৰহাটত আজি বিজেপিৰ এখন গুৰুত্বপূৰ্ণ বৰ্ধিত বিষয়ববীয়া সভা অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ সভাপতিত্বত হ'বলগীয়া এই সভাত দলৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ ড০ সম্বিত পাত্ৰ, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিৱেদী, কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি দলৰ অন্যান্য মন্ত্ৰী, বিধায়ক, সাংসদ তথা ৰাজ্যিক সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থকাৰ সম্ভাৱনা আছে। সভাত দুখন সত্ৰ অনুষ্ঠিত হ'ব।

০০০০০০

বিদ্যালয় শিক্ষা বিভাগে শিক্ষকসকলৰ বদলিকৰণৰ বাবে আবেদনৰ সময়সীমা পুনৰ ৩১ মে'লৈ বৃদ্ধি কৰিছে। বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে জাৰি কৰা নিৰ্দেশনা অনুসৰি প্ৰাথমিক, মাধ্যমিক শিক্ষা সঞ্চালকালয় আৰু সমগ্ৰ শিক্ষাৰ অধীনত শিক্ষকসকলে একক আৰু পাৰস্পৰিক বদলিৰ বাবে www.hrmsassam.in পোৰ্টেলৰ জৰিয়তে ৩১ মে'ৰ মাজনিশা পৰ্যন্ত আবেদন কৰিব পাৰিব। বদলিৰ বাবে কোনো অফলাইন আবেদন গ্ৰাহ্য কৰা নহ'ব বুলি নিৰ্দেশনাটোত স্পষ্ট কৰি দিয়া হৈছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ লাহোৱাল সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত কালি লাহোৱাল সংহত শিশু উন্নয়নৰ প্ৰকল্পৰ অংগনৱাড়ী কৰ্মীসকলৰ মাজত মোবাইল ফোন বিতৰণ কৰা হয়। অনুষ্ঠানত প্ৰকল্প বিষয়া পল্লৱী শইকীয়াই অংগনৱাড়ী কৰ্মীসকলৰ বিভিন্ন কাম-কাজত মোবাইল ফোনৰ প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি এই কাৰ্যসূচী লোৱা হৈছে বুলি অৱগত কৰে।

০০০০০০

ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত DHS কানৈ মহাবিদ্যালয়ত কালি আন্তঃৰাষ্ট্ৰীয় সংগ্ৰহালয় দিৱস উদযাপন কৰা হয়। অসম চৰকাৰৰ প্ৰাচীন অধ্যয়ন সঞ্চালকালয়ৰ আই টি এফ চিৰ সহযোগত মহাবিদ্যালয়খনৰ নৃতত্ব বিভাগে এই দিৱসৰ আয়োজন কৰে। দিৱসৰ সৈতে সংগতি ৰাখি ঐতিহ্য সংগঠন আৰু আন্তঃ সাংস্কৃতিক বুজাবুজিৰ প্ৰসাৰত সংগ্ৰহালয়সমূহৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰা হয়। এই অনুষ্ঠানত থাইলেণ্ডৰ খোন কেন ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ সঞ্চালক লাক্সামুন বুনৰুৰেং উপস্থিত থাকে।

০০০০০০

নগাঁও জিলা আয়ুক্তৰ অধ্যক্ষতাত জিলা আয়ুক্তৰ কাৰ্যালয়ত  জল আৰু অনাময় অভিযান সন্দৰ্ভত কালি এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নগাঁও, ধিং আৰু কলিয়াবৰ উপ-সংমণ্ডলত স্বচ্ছ ভাৰত অভিযান- গ্ৰামীণ আৰু জলজীৱন মিছনৰ অধীনত ঘৰে ঘৰে নলযোগে পানী সংযোগ প্ৰদান, পানীৰ গুণগত মান পৰীক্ষা আদি বিভিন্ন দিশত পৰ্যালোচনা কৰা হয়। বৈঠকত স্বচ্ছ ভাৰত অভিযানৰ অধীনত নিৰ্মীয়মান শৌচাগাৰসমূহৰ বৰ্তমানৰ স্থিতি সন্দৰ্ভতো আলোচনা কৰা হয়। আয়ুক্তগৰাকীয়ে জাৰৰ নিষ্কাষণৰ দিশত গুৰুত্ব আৰোপ কৰি এইক্ষেত্ৰত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০০০

ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি মহকুমা ভূমি উপদেষ্টা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। ৰাজ্যত শক্তি, দক্ষতা বিকাশ, নিয়োগ, উদ্যমিতা আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত ৰাজহুৱা প্ৰতিষ্ঠানৰ আন্তঃগাথনি আৰু তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ অধীনত চৰকাৰী ভূমি আৱণ্টনৰ বাবে লাভ কৰা প্ৰতিবেদনসমূহ উপস্থাপন কৰা হয়। এই  বৈঠকত প্ৰতিবেদনসমূহ পুংখানুপুংখভাৱে নিৰীক্ষণ তথা বিবেচনা কৰি নীতিগত অনুমোদন জনোৱা হয়। বৈঠকত দুলীয়াজানৰ বিধায়ক তেৰছ গোৱালা আৰু জিলা আয়ুক্ত বৈক্ৰম কৈৰী উপস্থিত থাকে।

০০০০০০

শিৱসাগৰ নগৰৰ সমীপৰ জয়সাগৰৰ এটা দুচকীয়া বাহনৰ অনুমোদিত বিক্ৰী প্ৰতিষ্ঠানত কালি বিয়লি সংঘটিত অগ্নিকাণ্ডত ভালেমান সা-সম্পত্তি ভস্মীভূত হয়। এখন বাহনৰ চকা ফুটি হোৱা এই অগ্নিকাণ্ডত ২৭ খন বাহন সম্পূৰ্ণৰূপে ভস্মীভূত হয়। অৱশ্যে অগ্নিনিৰ্বাপক বাহিনীয়ে পলমকৈ হ'লেও জুই নুমুৱাবলৈ সমৰ্থ হয়।

০০০০০০

সমাপ্ত